ছিপাঝাৰ আঞ্চলিক বাতৰিকাকত বিতৰক সন্থা, সদৌ অসম বাতৰিকাকত বিতৰক হকাৰ সন্থা আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰে।

যুৱকজনে জাতীয়তা... এসময়ৰ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ ... আঞ্চলিক সমিতিত ক্ৰমে প্ৰচাৰ সম্পাদক, সাংগঠনিক সম্পাদক আৰু উপদেষ্টা হিচাপে কাৰ্যনিৰ্বাহ কৰি

# হাজোৰ সুৰেন দাস কলেজত শিক্ষাৰ্থীৰ শৈক্ষিক বিনিময় অনুষ্ঠান

**গুৱাহাটী, ২৩ নৱেম্বৰ ঃ** হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগত যোৱা ২১ ডিচেম্বৰত সুৰেন দাস মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক বিনিময় অনুষ্ঠান এটি অনুষ্ঠিত হৈ যায়। এই অনুষ্ঠানত সুৰেন দাস মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান ড° মণ্টু ঠাকুৰীয়াই আদৰণী ভাষণ দিয়ে। অনুষ্ঠানটি সঞ্চালনা কৰে বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী ড° মীনা কুমাৰী দাসে। এই অনুষ্ঠানৰ শুভ উদ্বোধন কৰি সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাই বৰ্তমান সময়ৰ পৰিপ্ৰেক্ষিতত নাকৰ পৰিদৰ্শন সম্বন্ধীয় এটি তথ্যসমৃদ্ধ ভাষণ দিয়ে। অনুষ্ঠানটিত দুয়োখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে শংকৰদেৱৰ সাহিত্য বিষয়ৰ গৱেষণা পত্ৰ পাঠ কৰাৰ লগতে সাংস্কৃতিক অনুষ্ঠানো প্ৰদৰ্শন কৰে। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশৰ ওপৰত দৃষ্টি ৰাখি সুৰেন দাস মহাবিদ্যালয়ৰ সাহিত্য চ'ৰাই পতা কামৰূপ জিলা ভিত্তিত চুটিগল্প প্ৰতিযোগিতাৰ পুৰস্কাৰো অনুষ্ঠানটিত বিতৰণ কৰা হয়। অনুষ্ঠানটিত সুৰেন দাস মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° আলী আকবৰ হুছেইনেও বক্তব্য ৰাখে। ড° বিনীতা বৈশ্য, ৰাহুল কুলিয়ে সুৰেন দাস মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ তৰফৰ পৰা ভাষণ দিয়ে।

... মন্ত্ৰী ড° ... চৌধুৰী, ... কুলেন্দ্ৰ ... আৰু ... বিদ্যা ... ভাৰতী ... আগবাঢ়ি ... বিষয়।

## হালধীয়া ফুল

...ভূমিত জিলিকিছে